**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 27-02-2025
**Time :** 0705 Hrs

***Assamese Morning Bulletin***

***Headlines***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি আহমেদাবাদৰ নেশ্যনেল ইনষ্টিটিউট অব ডিজাইনৰ ৪৪ সংখ্যক অভিৱৰ্তনত ভাগ ল'ব।

২। প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থা ডি আৰ ডি অ'ই কালি ওড়িশাৰ চান্দিপুৰৰ সংহত পৰীক্ষণস্থলীৰ পৰা প্ৰথম জাহাজ বিধবংসী নৌ ক্ষেপণাস্ত্ৰৰ পৰীক্ষা সফলতাৰে সম্পন্ন কৰে।

৩। মহাশিৱৰাত্ৰিৰ পৱিত্ৰ স্নানেৰে কালি প্ৰয়াগৰাজত আয়োজিত ২০২৫ বৰ্ষৰ মহাকুম্ভ মেলাৰ সফল সামৰণি পৰে।

৪। ভাৰতে পেট্ৰ'লৰ সৈতে মিহলি কৰা ইথানলৰ পৰিমাণ ২০ শতাংশতকৈও অধিক কৰাৰ কথা বিবেচনা কৰিছে বুলি কেন্দ্ৰীয় মন্ত্ৰী হৰদীপ সিং পুৰীয়ে প্ৰকাশ কৰিছে।

*আৰু*

৫। আফগানিস্তানে শক্তিশালী ইংলেণ্ডক পৰাস্ত কৰি আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ চাৰিদিনীয়া গুজৰাট ভ্ৰমণসূচী অনুসৰি আজি ৰাষ্ট্ৰপতিগৰাকীয়ে লৌহমানৱ চৰ্দাৰ বল্লভ ভাই পেটেলৰ মূৰ্তিত পুষ্পমাল্য অৰ্পণ কৰিব। কাৰ্যসূচীৰ অংশ হিচাপে শ্ৰীমতী মুৰ্মু আহমেদাবাদৰ নেশ্যনেল ইনষ্টিটিউট অব ডিজাইনৰ ৪৪ সংখ্যক অভিৱৰ্তনত ভাগ লোৱাৰ কথা। শ্ৰীমতী মুৰ্মুৱে কাইলৈ গান্ধী নগৰত থকা ৰাষ্ট্ৰীয় ফৰেনচিক বিশ্ববিদ্যালয়ৰ তৃতীয় অভিৱৰ্তনত উপস্থিত থাকিব। তেওঁ ভূজত থকা স্মৃতিভান ভূমিকম্প স্মাৰকলৈও যাব। পহিলা মাৰ্চত ৰাষ্ট্ৰীয় ইউনেস্কোৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰ ধোলাভিৰালৈ যাব।

০০০০

প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থা ডি আৰ ডি অ'ই কালি ওড়িশাৰ ছান্দিপুৰৰ সংহত পৰীক্ষণস্থলীৰ পৰা প্ৰথম জাহাজ বিধবংসী নৌ ক্ষেপণাস্ত্ৰৰ পৰীক্ষা সফলতাৰে সম্পন্ন কৰে। পৰীক্ষণ কালত নৌ সেনাবহিনীৰ শ্বি-কিং হেলিকপ্তাৰৰ পৰা এই ক্ষেপণাস্ত্ৰ ব্যৱহাৰ কৰি জাহাজৰ লক্ষ্য নিখুঁটভাৱে আঘাত হনা হয়। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে এই সফল পৰীক্ষণৰ বাবে ডি আৰ ডি অ', নৌ সেনা আৰু সংশ্লিষ্ট উদ্যোগসমূহক অভিনন্দন জনাইছে। তেওঁ কয় যে মেন ইন লুপ বৈশিষ্ট্যৰ এই পৰীক্ষা সঁচাকৈ অনন্য, কিয়নো ইয়াৰ জৰিয়তে আকাশমাৰ্গতে নিৰ্ধাৰিত লক্ষ্য পৰিৱৰ্তন কৰিব পৰা যায়।

০০০০

দিল্লী বিধানসভাৰ উপাধ্যক্ষ পদৰ বাবে আজি নিৰ্বাচন অনুষ্ঠিত হ'ব। দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই বিজেপিৰ বিধায়ক মোহন সিং বিষ্টক উপাধ্যক্ষ পদত অধিষ্ঠিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিব। শ্ৰীবিষ্ট

মুস্তাফাবাদ বিধানসভা সমষ্টিৰ বিধায়ক। বিধানসভাত আজি দিল্লীৰ পূৰ্বৰ চৰকাৰৰ সুৰা নীতি সন্দৰ্ভত কেগৰ প্ৰতিবেদনৰ বিষয়ে আলোচনা অব্যাহত থাকিব। যোৱা মঙলবাৰে বিধানসভাত কেগৰ প্ৰতিবেদন দাখিল কৰা হৈছিল।

০০০০

মহাশিৱৰাত্ৰিৰ পৱিত্ৰ স্নানেৰে কালি প্ৰয়াগৰাজত আয়োজিত ২০২৫ বৰ্ষৰ মহাকুম্ভ মেলাৰ সফল সামৰণি পৰে। ৪৫ দিনীয়া এই আধ্যাত্মিক মেলাত ৬৬ কোটি ৩০ লাখতকৈও অধিক ভক্তই পৱিত্ৰ স্নান কৰে। মহাকুম্ভ মেলাত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীস ভূটানৰ ৰজা জিগমে খেচাৰ নামগিয়াল ৱাংচুক, বিদেশী প্ৰতিনিধি, বিভিন্ন ৰাজ্যৰ ৰাজ্যপাল, মুখ্যমন্ত্ৰীকে লধৰি কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰীয়ে মহাকুম্ভত পৱিত্ৰ স্নান কৰে। আমাৰ সংবাদদাতাই জনোৱা মতে কালি পৱিত্ৰ মহাশিৱৰাত্ৰিৰ শুভক্ষণত এক কোটি ৫৩ লাখতকৈও অধিক ভক্তই স্নান কৰে।

বায়ুসেনাই কালি সামৰণিৰ দিনা মহাকুম্ভ মেলাতথলীৰ মাজ আকাশত বিমান চালনৰ কলা-কৌশল প্ৰদৰ্শন কৰাৰ লগতে বিভিন্ন ঘাটত পুষ্পবৃষ্টিৰে পৰিবেশ মনোমোহা কৰি তোলে। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে ভক্ত, সাধু আৰু কল্পবাসীসকলক শুভেচ্ছা জ্ঞাপন কৰে। শ্ৰীযোগীয়ে কয় যে ভক্তসকলে প্ৰয়াগৰাজৰ সংগমত কৰা পৱিত্ৰ স্নানৰ জৰিয়তে সমগ্ৰ বিশ্ববাসীলৈ ৰাষ্ট্ৰীয় একতা আৰু জাতীয়তাবাদৰ বাৰ্তা প্ৰেৰণ কৰিছে।

০০০০

চৰকাৰে ৰাষ্ট্ৰীয় ক্ৰীড়া সংঘসমূহক বিত্তীয় সাহায্য প্ৰদানৰ নীতি নিয়মৰ সংশোধন কৰিবলৈ এখন ছজনীয়া কমিটি গঠন কৰিছে। যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, ক্ৰীড়া বিভাগৰ যুটীয়া সচিব কুনালে এই কমিটিখনৰ নেতৃত্ব বহন কৰিব আৰু কমিটিখনে ১৫ দিনৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিব। পেৰিছ অলিম্পিক পাছত নতুন অলিম্পিক চক্ৰ আৰম্ভ হৈছে আৰু নতুন পৰিস্থিতিৰ নীতি নিয়মসমূহৰ পৰ্যালোচনা কৰাটো জৰুৰী হৈ পৰিছে। ৰাষ্ট্ৰীয় ক্ৰীড়া সংঘসমূহক বিত্তীয় সাহায্য প্ৰদানৰ নিয়মাৱলী ইয়াৰ পূৰ্বে ২০২২ চনত সংশোধন কৰিছিল। কেন্দ্ৰীয় চৰকাৰে খেলুৱৈসকলৰ প্ৰশিক্ষণ আৰু অংশগ্ৰহণকে ধৰি বিভিন্ন ক্ৰীড়া গতিবিধিৰ বাবে সাহায্য যোজনাৰ অধীনত ৰাষ্ট্ৰীয় খেল সংঘসমূহক বিত্তীয় সাহায্য প্ৰদান কৰি আহিছে।

০০০০

বৈদেশিক পৰিক্ৰমা ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা উৰুগুৱে, বাহামাছ, বাৰবাডোছ আৰু নিকাৰাগুৱাৰ ৯ দিনীয়া ভ্ৰমণসূচীৰে কাইলৈ ৰাওনা হ'ব।

এই ভ্ৰমণৰ প্ৰথম পৰ্যায়ত মন্ত্ৰীগৰাকীয়ে উৰুগুৱেৰ নৱ-নিৰ্বাচিত ৰাষ্ট্ৰপতি য়ামাণ্ডু অ'ৰছিৰ শপত গ্ৰহণ অনুষ্ঠানত ভাৰতক প্ৰতিনিধিত্ব কৰিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ে প্ৰকাশ কৰা মতে এই ভ্ৰমণে উৰুগুৱেৰ সৈতে দ্বিপাক্ষিক সম্পৰ্ক সুদৃঢ় কৰিবলৈ ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথাকে সূচাইছে।

পৱিত্ৰ মাৰ্ঘেৰিটাৰ বাহামাছ ভ্ৰমণে যোৱা বছৰ নৱেম্বৰত গুয়ানাত অনুষ্ঠিত দ্বিতীয় ভাৰত-কেৰিক'ম শীৰ্ষ সন্মিলনৰ সময়ত ভাৰত আৰু বাহামাছৰ প্ৰতিনিধিবৰ্গৰ মাজত হোৱা আলোচনাক আগুৱাই লৈ যাব। দুয়োখন দেশৰ মাজৰ বৰ্তমানৰ সম্পৰ্ক অধিক সুদৃঢ় কৰা আৰু সহযোগিতাৰ নতুন ক্ষেত্ৰৰ অন্বেষণ মন্ত্ৰীগৰাকীৰ এই যাত্ৰাৰ মূল উদ্দেশ্য বুলি কোৱা হৈছে।

বাৰবাডোছ ভ্ৰমণকালত শ্ৰী মাৰ্ঘেৰিটাই সফল ভাৰত-কেৰিক'ম শীৰ্ষ সন্মিলনৰ পাছত দ্বিপাক্ষিক সম্পৰ্কৰ পৰ্যালোচনা কৰিব আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ হৈ সন্মানীয় অৰ্ডাৰ অৱ্ ফ্ৰীডম অৱ্ বাৰবাডোছ সন্মান গ্ৰহণ কৰিব। ভাৰত-কেৰিক'ম শীৰ্ষ সন্মিলনৰ সময়ত এই সন্মান ঘোষণা কৰা হৈছিল।

এই ৯ দিনীয়া ভ্ৰমণৰ অন্তিম পৰ্যায়ত মন্ত্ৰীগৰাকী নিকাৰাগুৱালৈ যাব। তাত তেওঁ কেইবাখনো দ্বিপাক্ষিক বৈঠকত ভাগ ল'ব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ তৰফৰ পৰা এয়া প্ৰথম মন্ত্ৰী পৰ্যায়ৰ নিকাৰাগুৱা ভ্ৰমণ হ'ব। বৈদেশিক পৰিক্ৰমা ৰাজ্য মন্ত্ৰীগৰাকীয়ে এই চাৰিদেশীয় ভ্ৰমণকালত দেশ কেইখনৰ বিদেশ মন্ত্ৰীসকলৰ সৈতে বৈঠকত মিলিত হ'ব আৰু ৰাজনীতি, ব্যৱসায় আৰু উদ্যোগ জগতৰ বিশিষ্ট ব্যক্তি আৰু দেশকেইখনত বাস কৰা প্ৰবাসী ভাৰতীয়সকলৰ সৈতে আলোচনাত মিলিত হ'ব। শ্ৰী মাৰ্ঘেৰিটাই ভ্ৰমণকালত দ্বিপাক্ষিক উন্নয়ন সহযোগিতা প্ৰকল্পৰ স্থলীসমূহো পৰিদৰ্শন কৰিব।

০০০০

ভাৰতে পেট্ৰ'লৰ সৈতে মিহলি কৰা ইথানলৰ পৰিমাণ ২০ শতাংশতকৈও অধিক কৰাৰ কথা বিবেচনা কৰিছে বুলি কেন্দ্ৰীয় পেট্ৰোলিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদীপ সিং পুৰীয়ে প্ৰকাশ কৰিছে। গুৱাহাটীত আয়োজিত বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলন এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত ভাষণ দি মন্ত্ৰীগৰাকীয়ে কালি কয় যে দেশ ইতিমধ্যে ১৯ দশমিক ৬ শতাংশ ইথানল মিহলিৰ লক্ষ্যত উপনীত হৈছে। তেওঁ কয় যে উন্নয়নমূলক প্ৰত্যাহ্বান সত্বেও দেশৰ জীৱাশ্ম ইন্ধন কোম্পানীসমূহে ২০৪৫ চনৰ ভিতৰত শূন্য কাৰ্বন নিস্কাষণৰ লক্ষ্যত উপনীত হোৱাৰ সম্ভাৱনা আছে।

অসমৰ শক্তি আন্তগাঁথনি সুদৃঢ়কৰণৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ বিষয়ে আলোকপাত কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয় যে এডভাণ্টেজ আছামৰ যোৱা বাৰৰ সংস্কৰণত পেট্ৰোলিয়াম মন্ত্ৰালয়ে বাৰাউনীৰ পৰা নুমলীগড়লৈ এহেজাৰ ৬০০ কিলোমিটাৰ দৈৰ্ঘ্যৰ গেছ গ্ৰীড সম্প্ৰসাৰণৰ পৰিকল্পনাৰ বিষয়ে ঘোষণা কৰিছিল।

০০০০

অসমৰ বিভিন্ন অংশত যোৱা নিশা প্ৰায় ২ বাজি ২৬ মিনিটত ভূঁইকপৰ জোকাৰণি অনুভূত হয়। ৰিখটাৰ স্কেলত এই ভূমিকম্পৰ প্ৰাবল্য ৫ৰো অধিক আছিল। এই ভূমিকম্পৰ অভিকেন্দ্ৰ মৰিগাঁৱৰ ভূৰাগাঁৱৰ দুই কিলোমিটাৰ নিলগত ভূপৃষ্ঠৰ পৰা ১৬ কিলোমিটাৰ গভীৰতাত আছিল বুলি ৰাষ্ট্ৰীয় ভূকম্পন বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰিছে। চুবুৰীয়া ভূটান, বাংলাদেশ আৰু চীনতো এই ভূমিকম্পৰ জোকাৰণি অনুভূত হোৱা বুলি জানিব পৰা গৈছে।

০০০০

ইউক্ৰেইনৰ দুৰ্লভ খনিজ সম্পদসমূহৰ অধিকাৰ আমেৰিকাক প্ৰদান কৰাৰ বাবে এখন চুক্তি স্বাক্ষৰ কৰিবলৈ দেশখনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেনস্কিয়ে কাইলৈ হোৱাইট হাউছ ভ্ৰমণ কৰিব বুলি আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ঘোষণা কৰিছে। যোৱা নিশা হোৱাইট হাউছত অনুষ্ঠিত ড'নাল্ড ট্ৰাম্প মন্ত্ৰীসভাৰ প্ৰথমখন বৈঠকত ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে এই সন্দৰ্ভত পৰিকল্পনা যুগুতাই উলিওৱা হৈছে আৰু তেওঁলোকে নিৰীহ লোকৰ হত্যা বন্ধ কৰাৰ বাবে ৰাছিয়া আৰু ইউক্ৰেইনৰ সৈতে চুক্তি স্বাক্ষৰ কৰিব।

০০০০

আফগানিস্তানে শক্তিশালী ইংলেণ্ডক পৰাস্ত কৰি আই চি চি চেম্পিয়নছ্‌ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰবেশ কৰিছে। কালি লাহোৰৰ গাড্ডাফি ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত দলটো ৮ ৰাণত জয়ী হয়। ৩২৬ ৰাণৰ লক্ষ্য অনুসৰণ কৰি ইংলেণ্ডে ৪৯ অভাৰ ৫টা বলত ৩১৭ ৰাণত আটাইকেইটা উইকেট হেৰুৱায়। দলটোৰ হৈ জ’ ৰুটে ১২০ ৰাণ কৰে। আফগানিস্তানৰ আজমাতুল্লা ওমৰজাইয়ে পাঁচটা উইকটে দখল কৰে।

ইয়াৰ পূৰ্বে টছত জিকি প্ৰথমে বেট ধৰা আফগানিস্তানে নিৰ্ধাৰিত ৫০ অভাৰত ৭ উইকেটত ৩২৫ ৰাণ কৰে। অপেনাৰ ইব্ৰাহিম জৰ্দানে ১৭৭ ৰাণ কৰি চেম্পিয়নছ্‌ ট্ৰফীৰ ইতিহাসত সৰ্বাধিক ব্যক্তিগত ৰাণৰ অভিলেখ গঢ়ে। ইংলেণ্ডৰ জোফ্ৰা আৰ্চাৰে তিনিটা উইকেট দখল কৰে।

প্ৰতিযোগিতাত আজি ৰাৱালপিণ্ডিত গ্ৰুপ পৰ্যায়ৰ এখন খেলত পাকিস্তান বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব। খেলখন দিনৰ আঢ়ৈ বজাত আৰম্ভ হ’ব।

০০০০

ভাৰতৰ প্ৰিয়াংশু ৰাজাৱাট, কিৰণ জৰ্জ, ৰক্ষিতা ৰামৰাজ আৰু উন্নতি হুদাই জাৰ্মান অ’পেন চুপাৰ থ্ৰী-হাণ্ড্ৰেড বেডমিণ্টন প্ৰতিযোগিতাৰ ছিংগলছৰ দ্বিতীয় ৰাউণ্ডত প্ৰবেশ কৰিছে। প্ৰিয়াংশুৱে সতীৰ্থ কিদাম্বি শ্ৰীকান্তক ২১-১৪, ২১-১২ গেমত আৰু কিৰণ জৰ্জে ফিনলেণ্ডৰ জে ওল্ডৰ্ফক ২১-১৮, ১৯-২১, ২১-১৬ গেমত পৰাস্ত কৰে। মহিলা শাখাত ৰক্ষিতাই মালয়েছিয়াৰ কিছোনা ছেলভাদুৰাইক ২২-২০, ৫-২১, ২৫-২৩ গেমত আৰু উন্নতি হুদাই কানাডাৰ ডব্লিউ ঝেঙক ২১-১৩, ২১-১৭ গেমত পৰাভুত কৰে। ভাৰতৰ আন দুগৰাকী খেলুৱৈ টি হেমনাথ আৰু আনমোল খৰ্ব প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে।

০০০০

সমাপ্ত